**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

গুৱাহাটী আজিৰে পৰা উত্তৰ-পূৰ্বাঞ্চলৰ খনি মন্ত্ৰীসকলৰ দুদিনীয়া সন্মিলন আৰম্ভ হৈছে। খনি মন্ত্ৰ্যালয়ৰ উদ্যোগত আৰু কয়লা মন্ত্ৰ্যালয় তথা অসম চৰকাৰৰ সহযোগত গুৱাহাটীৰ মে' ফেয়াৰ স্প্ৰীং ভেলী ৰিজৰ্টত এই সন্মিলন অনুষ্ঠিত হৈছে। এইবাৰৰ এই সন্মিলনৰ মূল উদ্দেশ্য হ'ল বহনক্ষম আৰু বৈজ্ঞানিক খনন কাৰ্যক উৎসাহ প্ৰদান, সম্পদ খণ্ডত ব্যৱসায়ৰ অগ্ৰগতি সাধন আৰু সুষম আঞ্চলিক উন্নয়নৰ বাবে কেন্দ্ৰ-ৰাজ্যৰ সমন্বয়ক সুদৃঢ়কৰণৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলক শক্তিশালী কৰি তোলা। সন্মিলনৰ সৈতে সংগতি ৰাখি আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষান ৰেড্ডীয়ে অধ্যক্ষতা কৰিব। অনুষ্ঠানত কয়লা আৰু খনি ৰাজ্যমন্ত্ৰী সতীশ চন্দ্ৰ ডুবে তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ খনিমন্ত্ৰীসকলে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সন্মিলনৰ দুয়োটা দিনতেই খননৰ সৈতে জড়িত বিভিন্ন অধিৱেশন অনুষ্ঠিত হ'ব। সন্মিলনত ভালেকেইখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হ'ব। উল্লেখযোগ্য যে, ২০২৪-২৫ বিত্তীয় বৰ্ষৰ পৰা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে ২৮৩টা মিনাৰেল ব্লক নিলামৰ বাবে সাজু কৰিছে। ইয়াৰে ১৬১টা মিনাৰেল ব্লক সফলভাৱে নিলাম কৰা হৈছে আৰু এই সংখ্যা বৰ্তমান ৫১৫লৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত অসমৰ ৫টা মিনাৰেল ব্লক আৰু অৰুণাচল প্ৰদেশৰ ৪টা গুৰুত্বপূৰ্ণ মিনাৰেল ব্লক অন্তৰ্ভুক্ত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূৰ্বাঞ্চলত উদ্যোগিক বিকাশ আৰু কৰ্মসংস্থাপনৰ নতুন পথ মুকলি হৈছে। উল্লেখযোগ্য যে, খনি মন্ত্ৰালয়ে সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ খনিজ সম্পদৰ অপাৰ সম্ভাৱনা প্ৰদৰ্শন কৰিব পৰাকৈ বিভিন্ন ধৰণৰ উপস্থাপন কৰা হ'ব।

০০০০০০

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া শীঘ্ৰেই সম্পন্ন কৰিব বুলি প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ৩ হাজাৰ ৮০০টা নিম্ন প্ৰাথমিকৰ আৰু এহেজাৰ ৭৫০টা উচ্চ প্ৰাথমিকৰ পদ বুলি সঞ্চালকালয়ে জানিবলৈ দিছে। উল্লেখযোগ্য যে, এই পদসমূহ পূৰণৰ বাবে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে ২০২৩ চনৰ ২৬ ডিচেম্বৰতে বিজ্ঞাপন প্ৰকাশ কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত ন্যায়ালয়ৰ বাধাৰ বাবে এই পদসমূহ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা নাছিল। বৰ্তমান ন্যায়ালয়ৰ বাধা আঁতৰোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা প্ৰাৰ্থীসকলৰ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ আৰম্ভ হ'ব। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে অহা ৩০ জুনলৈ এই নথি পৰীক্ষণ প্ৰক্ৰিয়াত উপস্থিত থাকিবলগীয়া প্ৰাৰ্থীসকলৰ তালিকা প্ৰকাশ কৰিছে। নথি পৰীক্ষণ প্ৰক্ৰিয়াত প্ৰাৰ্থীসকলৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰসমূহ পৰীক্ষা কৰা হ'ব বুলি প্ৰাৰ্থমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে জানিবলৈ দিয়ে। নেচনেল ইনষ্টিটিউট অব্ অপেন স্কুলিঙৰ অধীনত ডি ই এল এড লাভ কৰা সকলেও সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰ সুবিধা লাভ কৰিব।

০০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ উপস্থিতিত যোৱা নিশা দিছপুৰত ইউনিফাইড মেট্ৰপলিটান ট্ৰেন্সপোৰ্টেচন অথৰিটী চমুকৈ ইউ এম টি এৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজহুৱা পৰিবহন ব্যৱস্থা সুনিয়ন্ত্ৰিত আৰু শৃংখলিত কৰি যাতায়ত ব্যৱস্থা অধিক কাৰ্যকৰীভাৱে পৰিচালনা কৰাৰ প্ৰাৰম্ভিক কাৰ্যপন্থা সন্দৰ্ভত আলোচনা কৰা হয়।

একেখন বৈঠকতে বাহন আৰু পথচাৰীৰ সুচল চলাচল সুনিশ্চিত কৰিবলৈ পথৰ আৰ্হি উন্নীতকৰণক লৈও আলোচনা চলে। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিষয়াসকলৰ উপৰি গৃহ আৰু ৰাজনৈতিক বিভাগ, লোকনিৰ্মাণ, বন, পৰ্যটন আদি কেইবাটাও বিভাগৰ প্ৰতিনিধিসকল বৈঠকখনত উপস্থিত থাকে।

০০০০০০

সমাগত বি টি চি নিৰ্বাচনৰ বাবে বি চি আৰ এলেকাত বিভিন্ন ৰাজনৈতিক দলসমূহে নিজৰ নিৰ্বাচনী ৰণকৌশল প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰিছে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি বাক্সা জিলাৰ জালাহত দলীয় কৰ্মীক সাক্ষাৎ কৰি অঞ্চলটোত দলৰ স্থিতি সম্পৰ্কে আলোচনা কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰতিটো পৰিষদীয় সমষ্টিৰ ৩০ গৰাকী কাৰ্যকৰ্তাক বুথ সমূহৰ তথ্য আহৰণৰ দায়িত্ব দিয়া হৈছিল। তেওঁ ককলাবাৰী পৰিষদীয় সমষ্টিত ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী জয়ী হ'ব বুলি আশা প্ৰকাশ কৰে। বি টি এডিৰ পাঁচখন জিলাতে মুখ্যমন্ত্ৰীয়ে ভ্ৰমণ কৰিব বুলি তেওঁ উল্লেখ কৰে। সমাগত বি টি চি নিৰ্বাচনত বিজেপি ১৮ টাতকৈও অধিক সমষ্টিত জয়লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ লগতে বিধায়ক ফণীধৰ তালুকদাৰ আৰু কেইবাগৰাকীও দলীয় নেতা উপস্থিত আছিল।

০০০০০০

গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ তিনিওটা ফেৰী ঘাটৰ সন্ধিয়াৰ ফেৰী সেৱা আজিৰে পৰা সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি আৰু কোবাল সোঁতৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি আভ্যন্তৰীণ জল পৰিবহন বিভাগে সদৰি কৰিছে। যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা এই সিদ্ধান্ত পৰৱৰ্তী নিৰ্দেশনা নিদিয়া পৰ্যন্ত বাহাল থাকিব বুলি জানিবলৈ দিয়া হৈছে। যাত্ৰীসকলৰ অসুবিধা দূৰ কৰিবলৈ বিকল্প বাছ সেৱাৰ ব্যৱস্থা কৰিবলৈ কামৰূপ জিলা প্ৰশাসনে নিৰ্দেশ দিছে।

০০০০০০

অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীৰ বিৰুদ্ধে প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট লিমিটেডৰ পৰিচালন সঞ্চালক ৰিণিকী ভূঞা শৰ্মাই এটা মানহানি গোচৰ ৰুজু কৰিছে। ডিব্ৰুগড়ত কংগ্ৰেছৰ এখন সভাত মীৰা বৰঠাকুৰ গোস্বামীয়ে ৰিণিকী ভূঞা শৰ্মাই কামাখ্যা দেৱালয় আৰু মহামৃত্যুঞ্জয় মন্দিৰৰ পৰা ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন কৰিছিল। অহা ১৮ আগষ্টত এই গোচৰৰ শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

০০০০০০

মহিলাৰ হকী ইণ্ডিয়া মাষ্টাৰ্ছ কাপ প্ৰতিযোগিতাৰ ফাইনেলত আজি ওড়িশা পঞ্জাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন তামিলনাডুৰ চেন্নাইৰ মেয়ৰ ৰাধাকৃষ্ণণ হকী ষ্টেডিয়ামত দুপৰীয়া ২ বজাত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে প্ৰথমখন ছেমি ফাইনেলত ওড়িশাই তামিলনাডুক ৪-১ গলত পৰাস্ত কৰিছিল। ইপিনে পঞ্জাবে দ্বিতীয়খন ছেমি ফাইনেলত হাৰিয়ানাৰ বিৰুদ্ধে ৩-২ গলত বিজয় সাব্যস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

ইপিনে, একেখন প্ৰতিযোগিতাৰ পুৰুষৰ শিতানৰ ফাইনেলত আজি বিয়লি ৪ বজাত তামিলনাডু মহাৰাষ্ট্ৰৰ মুখামুখি হ'ব। এইখন খেলো মেয়ৰ ৰাধাকৃষ্ণণ হকী ষ্টেডিয়ামত খেলোৱা হ'ব। পুৰুষৰ প্ৰথমখন ছেমি ফাইনেলত তামিলনাডুৱে চণ্ডীগড়ক ৩-০ আৰু দ্বিতীয়খন ছেমি ফাইনেলত মহাৰাষ্ট্ৰই ওড়িশাক ৪-১ গলত পৰাস্ত কৰিছিল।

০০০০০০

সমাপ্ত